**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-05-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণ উদ্বোধনৰ ৭৫ বছৰ উপলক্ষে আয়োজিত অনুষ্ঠানত যোগ দিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ১১ মে'ত মন্দিৰটোলৈ যাব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে ভাৰতে মুঠ গোলকীয় বিকাশৰ ১৭ শতাংশ অৱদান আগবঢ়াইছে বুলি প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি কলকাতাত হ'বলগীয়া পশ্চিমবংগৰ বিজেপিৰ নৱ-নিৰ্বাচিত বিধায়কসকলৰ বৈঠকত বিধায়িনী গোটৰ নেতা বাছনি কৰা হ'ব।

৪। আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰতে আজি মাৰাথন আৰু ৱাকাথনৰ আয়োজন কৰা হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ডেলহি কেপিটেলছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণ উদ্বোধনৰ ৭৫ বছৰ উপলক্ষে আয়োজিত অনুষ্ঠানত যোগ দিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ১১ মে'ত মন্দিৰটোলৈ যাব। পুনৰ নিৰ্মিত সোমনাথ মন্দিৰ ১৯৫১ চনত তদানীন্তন ৰাষ্ট্ৰপতি ড০ ৰাজেন্দ্ৰ প্ৰসাদে উদ্বোধন কৰিছিল। প্ৰধানমন্ত্ৰীয়ে আজি এই তথ্যক লৈ দেশৰ বহুকেইখন আগশাৰীৰ বাতৰি কাকতত প্ৰবন্ধ লিখিছে। এই প্ৰবন্ধত তেওঁ উল্লেখ কৰিছে যে, কেইমাহমানৰ ভিতৰতে সোমনাথ মন্দিৰৰ সৈতে জড়িত দুটা অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই তেওঁ কৃতাৰ্থ অনুভৱ কৰিছে। চলিত বছৰৰ আৰম্ভনিতে সোমনাথ মন্দিৰত আয়োজিত সোমনাথ স্বাভিমান পৰ্বত প্ৰধানমন্ত্ৰী মোদীয়ে অংশগ্ৰহণ কৰিছিল। এই মন্দিৰত হোৱা প্ৰথম আক্ৰমণৰ এহেজাৰ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে এই পৰ্বৰ আয়োজন কৰা হৈছিল।

প্ৰধানমন্ত্ৰীয়ে সোমনাথ মন্দিৰক ভাৰতৰ সভ্যতাৰ শক্তি আৰু প্ৰতীক হিচাপে অভিহিত কৰে। তেওঁ কয় যে, এই মন্দিৰৰ যাত্ৰাই ধ্বংসৰ পৰা সৃষ্টিলৈ উত্তৰণ হোৱা বিশেষ মুহূৰ্তক প্ৰতিনিধিত্ব কৰি আহিছে আৰু বাৰম্বাৰ আক্ৰমণ কৰি ধ্বংস কৰাৰ পাছতো কি দৰে বিশ্বাস আৰু সংস্কৃতিয়ে মূৰ দাঙি থিয় হৈ থাকিব পাৰে, সেয়াই প্ৰতীয়মান কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে এই প্ৰসংগত স্বাধীনতাৰ পাছত সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণত ভাৰতৰ লৌহ মানৱখ্যাত চৰ্দাৰ বল্লভভাই পেটেলৰ ভূমিকাক স্মৰণ কৰে। শ্ৰীমোদীয়ে কয় যে সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণক ৰাষ্ট্ৰীয় কৰ্তব্য হিচাপে চৰ্দাৰ পেটেলে দৃঢ়তাৰে অনুভৱ কৰিছিল।

প্ৰধানমন্ত্ৰীয়ে সোমনাথ মন্দিৰৰ কাহিনীক চৰকাৰৰ বিকাশ আৰু ঐতিহ্যৰ দৃষ্টিভংগীৰ সৈতে সংগত কৰে। এই দৃষ্টিভংগীয়ে ঐতিহ্যৰ সংৰক্ষণৰ সমান্তৰালকৈ বিকাশ সাধনত গুৰুত্ব দিয়ে। তেওঁ কয় যে মন্দিৰটোৰ ইতিহাসৰ সৈতে জড়িত সাহস আৰু ত্যাগক সন্মান জনোৱাৰ অৰ্থে সোমনাথ মন্দিৰত অহা এহেজাৰ দিনত বিশেষ প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। দেশবাসীক সোমনাথ মন্দিৰ দৰ্শন কৰি দেশৰ সভ্যতাৰ অক্ষয় প্ৰেৰণা অনুভৱ কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়।

ooooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে গোলকীয় আৰ্থিক স্থিৰতাৰ স্তম্ভ হিচাপে ভাৰতৰ বৰ্ধিত ভূমিকা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি আন্তঃৰাষ্ট্ৰীয় সমৃদ্ধিৰ ক্ষেত্ৰত দেশৰ গুৰুত্বপূৰ্ণ অৱদানৰ বিষয়ে উল্লেখ কৰে। ছুৰীনাম ভ্ৰমণলৈ যোৱা বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে দেশখনৰ বিভিন্ন খণ্ডৰ প্ৰতিনিধিসকলক উদ্দেশ্যি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। ড° জয়শংকৰে শেহতীয়া কিছু তথ্যৰ বিষয়ে অৱগত কৰি কয়, যে চলিত বৰ্ষত গোলকীয় বিকাশৰ দিশত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ প্ৰত্যাশা অনুসৰি ভাৰতে মুঠ গোলকীয় বিকাশৰ ১৭ শতাংশ অৱদান আগবঢ়াইছে। ইয়াৰ জৰিয়তে এই কথা স্পষ্ট হয় যে, ভাৰতে ২০২৬ৰ গোলকীয় প্ৰকৃত মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিত ১৭ শতাংশৰ গুৰুত্বপূৰ্ণ অৰিহনাৰে বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে নিজৰ স্থিতি বজাই ৰাখিছে।

*-বাইট-*

ড° জয়শংকৰে লগতে উল্লেখ কৰে যে, ভাৰতে আন্তঃৰাষ্ট্ৰীয় অৰ্থ ব্যৱস্থাৰ সমস্যা সমাধানত সহযোগিতা আগবঢ়াইছে আৰু নিজৰ মিত্ৰ দেশসমূহৰ বাবে বিকল্প ব্যৱস্থা গঢ়ি তুলিছে।

ooooooo

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা ক'ষ্টাৰিকাৰ ছান জ'ছত উপস্থিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ দেশখনৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি লউৰা ভাৰ্জিনিয়া ফাৰ্নাণ্ডেজ ডেলগাডুৰ শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰতিনিধিত্ব কৰিব। শ্ৰীমাৰ্ঘেৰিটাই দেশখনৰ বিভিন্ন চৰকাৰী লোক, আগশাৰীৰ ব্যৱসায়ী আৰু প্ৰবাসী ভাৰতীয় সকলকো সাক্ষাৎ কৰিব।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি কলকাতাত হ'বলগীয়া পশ্চিমবংগৰ বিজেপিৰ নৱ-নিৰ্বাচিত বিধায়কসকলৰ বৈঠকত বিধায়িনী গোটৰ নেতা বাছনি কৰা হ'ব। ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসভাৰ সদস্যসকলে কাইলৈ কবিগুৰু ৰবিন্দ্ৰ নাথ ঠাকুৰৰ জন্ম বাৰ্ষিকীৰ দিনা শপতগ্ৰহণ কৰিব। কলকাতাৰ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত নতুন মন্ত্ৰীসভাৰ শপতগ্ৰহণৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। শপতগ্ৰহণৰ বাবে কটকটীয়া সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ জ্যেষ্ঠ নেতা আৰু বিজেপিশাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী তথা উপ-মুখ্যমন্ত্ৰীসকল শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা। বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি কলকাতালৈ ৰাওনা হ'ব।

ooooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি আগশাৰীৰ স্বাস্থ্যসেৱা ব্যৱস্থা শক্তিশালী কৰাৰ বাবে প্ৰাথমিক স্বাস্থ্য গোটসমূহৰ সংহত প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰে। এই প্ৰশিক্ষনে আগশাৰীৰ স্বাস্থ্য কৰ্মীসকলক দেশৰ প্ৰান্তীয় অঞ্চল পৰ্যন্ত চিকিৎসা সেৱা প্ৰদানত সহায় কৰিব বুলি আশা কৰা হৈছে।

স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বিগত বছৰসমূহত প্ৰাথমিক স্বাস্থ্য সেৱা শক্তিশালী কৰাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। মন্ত্ৰালয়ে কয়, যে গুণত স্বাস্থ্যসেৱা প্ৰদান, উন্নত সুবিধা লাভৰ ক্ষেত্ৰত অসুবিধাসমূহ দূৰ কৰা তথা স্বাস্থ্য ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আস্থা শক্তিশালী কৰাৰ বাবে এটা সু-প্ৰশিক্ষিত আৰু আত্মবিশ্বাসী প্ৰাথমিক স্বাস্থ্য কৰ্মীৰ গোটৰ অতি প্ৰয়োজন। এই উদ্দেশ্য আগত ৰাখিয়েই প্ৰাথমিক স্বাস্থ্য কৰ্মীসকলৰ বাবে সংহত প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰা হৈয়ে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০০০

আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি ৰাষ্ট্ৰীয় ৰাজধানীত মাৰাথনৰ আয়োজন কৰা হয়। আকাশবাণী ভৱনৰ পৰা আৰম্ভ হোৱা মাৰাথনত কৃষি ভৱন, ৰে'ল ভৱন আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ভৱনক সামৰি প্ৰায় চাৰে ৩ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰা হয়। এই মাৰাথনত আকাশবাণী, দূৰদৰ্শন আৰু প্ৰচাৰ ভাৰতীৰ সমূহ বিষয়াবৰ্গ তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলে অংশগ্ৰহণ কৰে। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদী আৰু আকাশবাণীৰ সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰ জৈনে মাৰাথনত অংশ লয়।

আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰতে মাৰাথন আৰু ৱাকাথনৰ আয়োজন কৰা হয়। দেশজোৰা উদযাপনৰ অংশহিচাপে আজি আকাশবাণী গুৱাহাটীয়েও **ৱাকাথন**ৰ আয়োজন কৰে। আকাশবাণী গুৱাহাটীৰ চৌহদৰ পৰা আৰম্ভ হোৱা এই ৱাকাথনত কেন্দ্ৰটোৰ সকলো বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে এই মাৰাথনে জনসাধাৰণৰ মাজলৈ শৰীৰ চৰ্চা অভিযানৰ বাৰ্তা লৈ যাব বুলি উল্লেখ কৰে।

***বাইট - গৌৰৱ দ্বিবেদী***

আকাশবাণীৰ সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰ জৈনে কয়, যে চলিত মাহত দেশৰ ২৩২টা আকাশবাণী কেন্দ্ৰত এলানি কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। ৰাজহুৱা প্ৰচাৰ মাধ্যম হিচাপে আকাশবাণীয়ে আগবঢ়াই অহা অৱদানক স্বীকৃতি দি এই উদযাপন কৰা হৈছে বুলি সঞ্চালক প্ৰধানগৰাকীয়ে উল্লেখ কৰে।

***বাইট - ৰাজীৱ কুমাৰ জৈন***

এই কাৰ্যসূচীৰ জৰিয়তে চৰকাৰৰ সুস্থ আৰু সক্ৰিয় ভাৰত দৰ্শনৰ সমান্তৰালভাৱে শৰীৰ চৰ্চা, জনসাধাৰণৰ অংশগ্ৰহণ আৰু ৰাষ্ট্ৰীয় একতাৰ বাৰ্তা প্ৰচাৰৰ লক্ষ্য লোৱা হৈছে। ১৯৩৬ চনত প্ৰতিষ্ঠা লাভ কৰা আকাশবাণীয়ে দেশৰ অন্যতম বিশ্বাসযোগ্য প্ৰচাৰ মঞ্চ হিচাপে নিৰন্তৰ সেৱা আগবঢ়াই আহিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন বৰ্ষাবিঘ্নিত খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৯ ৰানত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত